بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## ছুলাহ হুদায়বিয়াৰ দৃষ্টিকোণত আঁহজৰত (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা, লগতে বিশ্বৰ পৰিস্থিতিৰ দৃষ্টিকোণত দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২২ নৱেম্বৰ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَاِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَلَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হুদায়বিয়াহ সম্পৰ্কে বৰ্ণনা চলি আছে। এই সন্দৰ্ভত বুদায়িল বিন ওৰকা খুজায়ি আৰু আন আন কুৰাইশৰ দূতসকল ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত অহাৰ কথা উল্লেখ পোৱা যায়। ইয়াৰ বিস্তাৰিত বৰ্ণনাত হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ (ৰাঃ)য়ে এনেদৰে বয়ান কৰিছে যে যেতিয়া আঁহজৰত (ছাঃ)য়ে হুদায়বিয়াৰ উপত্যকাত গৈ শিবিৰ পাতিছিল, তেতিয়া কবিলা খাজাআৰ এজন বিখ্যাত নেতা বুদায়িল বিন ওৰকাই নিজৰ কিছুমান বন্ধু-বান্ধৱৰ সৈতে আঁহজৰত (ছাঃ)ৰ সৈতে সাক্ষাৎ কৰাৰ বাবে আহে, তেওঁ তেখেত (ছাঃ)ক কলে যে মক্কাৰ প্ৰধান নেতা যুদ্ধৰ বাবে প্ৰস্তুত হৈ আছে, সিহঁতে আপোনাক কোনো মুহূৰ্ততেই মক্কাত প্ৰৱেশ কৰিবলৈ নিদিব। তেখেত (ছাঃ)য়ে কৈছে যে আমি যুদ্ধ কৰাৰ উদ্দেশ্যে অহা নাই, কেৱল ওমৰা কৰাৰ উদ্দেশ্যে আহিছো। কিন্তু পৰিতাপ যে কুৰাইশ সকল মক্কাত যুদ্ধৰ অগ্নিৰে জ্বলাই ধূলিসাত কৰিছে তথাপি এইসকল লোকে ইয়াৰ পৰা বিৰত নহয়। মই এইসকল লোকৰ সৈতে এই বুজা-বুজিৰ বাবে প্ৰস্তুত আছো যে সিহঁতে মোৰ বিৰুদ্ধে যুদ্ধ বন্ধ কৰি মোক আন লোকসকলৰ বাবে স্বাধীন এৰি দিব। যদি সিহঁতে মোৰ এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে আৰু যুদ্ধৰ অগ্নি জ্বলাই দিয়ে তেতিয়া মই সেই অস্তিত্বৰ শপত লওঁ যাৰ হাতত মোৰ প্ৰাণ আছে মইয়ো এই প্ৰতিদ্বন্দ্বিতাৰ পৰা পিছহুহুঁকি নাযাওঁ, যদিও মোৰ প্ৰাণ এই বাটত কোৰবাণ হৈ যায় বা খোদাই মোক বিজয় প্ৰদান কৰিব। যদি সিহঁতৰ সৈতে যুদ্ধ কৰি মোৰ অস্তিত্বৰ অন্ত পৰে তেন্তে কাহিনী শেষ, যদি খোদা তা'লাই মোক বিজয় প্ৰদান কৰে আৰু মই অনা ধৰ্মৰ বিজয় হয় তেতিয়া মক্কাবাসীৰ বিশ্বাস

স্থাপন কৰাত কোনো পলন হোৱা উচিত নহয়।

বুদায়িলৰ ওপৰত তেখেত (ছাঃ)ৰ এই নিষ্ঠাপূর্ণ ভাষণ বৰ প্ৰভাৱ বিস্তাৰ লাভ কৰিলে। তেওঁ মক্কাত গৈ কুৰাইশ সকলক আঁহজৰত (ছাঃ)ৰ ছুলাহ (শান্তি) ৰ প্ৰস্তাৱৰ বিষয়ে অৱগত কৰিলে। এই কথা শুনি কবিলা ছকিফৰ এজন প্ৰভাৱশালী নেতা উৰুৱা বিন মাছুদে কলে যে আপোনালোকৰ উচিত যে এই প্ৰস্তাৱটো মানি লোৱা, মোক অনুমতি দিয়ক যাতে মই আপোনাৰ পক্ষৰ পৰা মহম্মদ (ছাঃ)ৰ ওচৰত গৈ বিস্তাৰিত আলোচনা কৰিব পাৰো। তেওঁ আঁহজৰত (ছাঃ)ক আৰু চাহাবা সকলক মক্কাৰ অধিবাসীৰ দ্বাৰা ভাবুকি দিয়াৰ প্ৰয়াস কৰিলে, যেতিয়া উৰুৱাই দেখিলে যে আঁহজৰত (ছাঃ) থু পেলায় তেতিয়া চাহাবা সকলে সেয়া নিজৰ হাতত লৈ নিজৰ মুখমণ্ডলত আৰু বুকুত ঘহে; আৰু যেতিয়া আঁহজৰত (ছাঃ)য়ে চাহাবা সকলক কোনো নিৰ্দেশ দিয়ে তেতিয়া চাহাবা সকলে সেই আজ্ঞা অতি সোনকালে পালন কৰে। যেতিয়া তেখেত (ছাঃ)য়ে ওজু কৰে, তেতিয়া চাহাবা সকলে ওজুৰ পানী প্ৰাপ্ত কৰাৰ বাবে দৌৰি যায়, কোনো চুলি তললৈ নামিবলৈ নিদিয়ে, তেখেত (ছাঃ)ৰ সন্মুখত নিজৰ মাত মৃদু ৰাখে, তেখেত (ছাঃ)ৰ সন্মানৰ প্ৰতি লক্ষ্য ৰাখি তেখেত (ছাঃ)ক অপমানৰ দৃষ্টিৰে নাচায়। তেতিয়া তেওঁ কুৰাইশ সকলৰ ওচৰত আহি কয় যে হে লোকসকল ! মই দূত হিচাপে বাদশ্বাহ কেয়চৰ, কিছৰা  আৰু নিজাশ্বীৰ ওচৰত গৈছো। আল্লাহৰ শপত ! মই কেতিয়াও এনেকুৱা বাদশ্বাহ দেখা নাই যিদৰে মহম্মদ (ছাঃ)ৰ চাহাবা সকলে আনুগত্য স্বীকাৰ কৰে। হুজুৰ আনোৱাৰ (আইঃ)য়ে মন্তব্য দাঙি ধৰে যে তেওঁ আহিছিল কাফিৰ সকলৰ দ্বাৰা আঁহজৰত (ছাঃ)ক ভাবুকি দিয়াৰ বাবে, কিন্তু যেতিয়া এই দৃশ্য দেখা পালে তেতিয়া প্ৰভাৱিত হৈ গুচি যায়, আৰু সেই কথাষাৰ কাফিৰসকলক শুনায়।

তাৰ পিছত আহাবিশৰ চৰ্দাৰ হালিছ বিন আলকামা কিনানিয়ে কুৰাইশ সকলৰ ফালৰ পৰা প্ৰতিনিধি হৈ আহে, ৰছুলুল্লাহ (ছাঃ)য়ে যেতিয়া তেওঁক ওখ স্থানৰ পৰা দেখা পায় তেতিয়া কয় যে এইজন অমুক ব্যক্তি, যিজন অমুক কবিলাৰ সৈতে সম্পৰ্ক ৰাখে, যিজনে কোৰবাণীৰ পশুক বৰ সন্মান কৰে। তেখেত (ছাঃ)য়ে চাহাবা সকলক কয় যে তেওঁক কোৰবাণীৰ পশু দেখুৱাৰ বাবে কোৰবাণীৰ জন্তুবোৰৰ ওচৰেদি অতিবাহিত কৰা। যেতিয়া তেওঁ এইবোৰ দেখিলে তেতিয়া কলে যে ছুবহানাল্লাহ ! এই লোকসকলক বায়তুল্লাহ যাবলৈ বাধা দিয়াটো ঠিক নহ'ব। ক'ব ধৰিলে যে আল্লাহ তা'লাই এই কথাৰ অনুমতি দিয়া নাই যে লাখুম, কিনদাহ, জুজাম আৰু হেমিয়া কবিলাই হজ্ব কৰিব, আৰু তেখেত (ছাঃ)ক বায়তুল্লাহত যাবলৈ বাধা দিয়া হ'ব। কাবাৰ প্ৰভুৰ শপত ! কুৰাইশ সকলৰ বিনাশ ঘটিব, যদিও এইসকল লোক ওমৰা কৰাৰ বাবে আহিছে, এই কথাষাৰ শুনি তেখেত (ছাঃ)য়ে কয়, আল্লাহৰ শপত ! বনু কানানাৰ ভাতৃয়ে এনেদৰে কথাই কৈছে, কুৰাইশ সকলে এই সমূহ বিতং বৰ্ণনা শুনাৰ পিছত তেওঁক আৰাবী (জঙ্ঘলী) মানুহ বুলি গণ্য কৰি তেওঁৰ পৰ্যবেক্ষণক নাউজুবিল্লাহ  আঁহজৰত (ছাঃ)ৰ অপছন্দনীয় আৰু প্ৰতাৰক বুলি সাব্যস্ত কৰিলে। এই ভ্ৰমণত হজৰত কাআব বিন উজৰাৰ বাবে দুঃখিত হৈ এহৰাম অৱস্থাত মূৰ খুৰিছিল বুলি উল্লেখ পোৱা যায়। এইদৰে কুৰাইশ সকলৰ ফালৰ পৰা বিভিন্ন লোকৰ দূত অহাৰ কথাও উল্লেখ পোৱা যায়। ইয়াৰ মাজত মিকৰাজ বিন হাফজও আছিল। যেতিয়া তেওঁ আহিলে তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁক চাই কলে যে এইজন ব্যক্তি প্ৰৱঞ্চক, বৰ্ণনাত ফাজিৰ (দুষ্ট) শব্দ ব্যৱহৃত হোৱাৰ কথা উল্লেখ পোৱা যায়। তেখেত (ছাঃ)য়ে তেওঁৰ সৈতে সেই কথাই কলে যি উৰুৱা আৰু বুদায়িলে কৈছিল; তাৰ পিছত তেওঁ নিজৰ লগৰীয়াৰ ফালে ওভতি গ'ল আৰু সিহঁতক সেইবোৰ কথা অৱগত কৰিলে যি তেখেত (ছাঃ)ৰ পৰা

শুনিছিল।

ৰছুলুল্লাহ (ছাঃ)য়ে নিজৰ দূত হিচাপে হজৰত খাৰাশ বিন উমায়াক কুৰাইশৰ ফালে প্ৰেৰণ কৰে, কুৰাইশ সকলে তেওঁৰ সৈতে বেয়া আচৰণ কৰে আৰু তেওঁক হত্যা কৰাৰ চেষ্টা কৰাৰ কথা উল্লেখ পোৱা যায়। অৰ্থাৎ কুৰাইশ সকলে শান্তি প্ৰতিষ্ঠিত হোৱাত বাধা সৃষ্টি কৰি থাকিছে কিন্তু আঁহজৰত (ছাঃ)য়ে ক্ষমাৰ আচৰণ কৰি থাকিছে। মক্কাৰ কুৰাইশ সকলে উত্তেজিত হৈ আঁহজৰত (ছাঃ)ৰ চাহাবা সকলৰ ওপৰত আক্ৰমণ কৰাৰ ইচ্ছা কৰিছিল, ইমানে যে আঁহজৰত (ছাঃ)ক হত্যা কৰাৰ ষড়যন্ত্ৰ ৰচিছিল। কিন্তু মুছলমান সকলৰ সতৰ্কতা অৱলম্বন কৰাৰ ফলত সিহঁতৰ ষড়যন্ত্ৰ অসফল হয়, আঁহজৰত (ছাঃ)য়ে সিহঁতৰ সকলোকে ক্ষমা কৰি সংস্কাৰৰ বাট অব্যাহত ৰাখিলে।

আল্লামা বায়হাকীয়ে উৰুৱাৰ পৰা বৰ্ণিত কৰিছে যে তাৰ পিছত নবী কৰিম (ছাঃ)য়ে হজৰত উমৰ বিন খিতাব (ৰাঃ)ক মাত দি কয় যে তেওঁক কুৰাইশৰ ফালে প্ৰেৰণ কৰা। তেতিয়া তেওঁ কলে যে ইয়া ৰছুলুল্লাহ (ছাঃ)! কুৰাইশ সকলে মোৰ শত্ৰুতা সম্বন্ধে অৱগত, সেইহেতু মোৰ প্ৰাণৰ প্ৰতি ভয় আছে আৰু বনি আদিৰ মাজত এনেকুৱা ব্যক্তি এজনও নাই যিয়ে মোৰ সুৰক্ষা কৰিব। হে ৰছুলুল্লাহ (ছাঃ) ! যদি আপুনি বিচাৰে তেন্তে মই তালৈ যাওঁ। হজৰত উমৰ (ৰাঃ)য়ে কলে যে হে ৰছুলুল্লাহ (ছাঃ) ! মই আপোনাক এনেকুৱা ব্যক্তিৰ কথা কওঁ যাৰ মক্কাত মোতকৈ অধিক সন্মান কৰে আৰু তেওঁ ডাঙৰ বংশৰ। সিহঁতে তেওঁক সুৰক্ষিত ৰাখিব আৰু আপুনি যি পয়গাম দিব বিচাৰে সেয়া পৌচাই দিব, সেইজন ব্যক্তি হজৰত উছমান বিন আফফান (ৰাঃ)। হজৰত উছমান (ৰাঃ) দূত হিচাপে মক্কালৈ গৈ আঁহজৰত (ছাঃ)ৰ পয়গাম সিহঁতৰ সমাৱেশত পৌচালে, কিন্তু কুৰাইশ সকলে এই সিদ্ধান্ততেই অটল থাকিল যে মুছলমান এই বছৰ মক্কাত প্ৰৱেশ কৰিব নোৱাৰিব। কুৰাইশ সকলে হজৰত উছমান (ৰাঃ)ক ব্যক্তিগত ভাৱে বায়তুল্লাহ প্ৰদিক্ষণ কৰিবলৈ প্ৰস্তাৱ দিলে। কিন্তু উছমান (ৰাঃ) য়ে অস্বীকাৰ কৰি কলে যে এয়া সম্ভৱেই নহয় যে ৰছুলে কৰিম (ছাঃ) মক্কাৰ বাহিৰত ৰৈ থাকিব আৰু মই প্ৰদিক্ষণ কৰিম। কুৰাইশ সকল কোনো প্ৰকাৰেই এই কথাত মান্তি নহ'ল, অৱশেষত হজৰত উছমান (ৰাঃ)য়ে নিৰাশ হৈ ওভতি যোৱাৰ বাবে প্ৰস্তুতি ললে।

তেতিয়া মক্কাৰ দুষ্ট লোক সকলে এই দুষ্টামি কৰিলে যে সিহঁতে সম্ভৱত এই ধাৰণা কৰি লৈছিল যে এইদৰে আমাক সংস্কাৰ কৰাত বেছি উপযোগী হ'ব, এই কথা ভাৱি সিহঁতে হজৰত উছমান (ৰাঃ) আৰু তেওঁৰ লগৰীয়া সকলক মক্কাতেই আবদ্ধ কৰি ৰাখে। ইয়াৰ পিছত মুছলমান সকলৰ মাজত এই ভুৱা বাতৰি বিস্তাৰ লাভ কৰিলে যে মক্কাবাসীয়ে হজৰত উছমান (ৰাঃ)ক হত্যা কৰিছে। যেতিয়া এই খবৰ আঁহজৰত (ছাঃ)য়ে পায় তেতিয়া তেখেত (ছাঃ) বৰ দুঃখিত হৈ খং প্ৰকাশ কৰিছিল। আঁহজৰত (ছাঃ)য়ে সোনকালে সমগ্ৰ মুছলমান সকলৰ মাজত ঘোষণা কৰি সিহঁতক এটা বগৰী গছৰ তলত সমৱেত কৰি কয় যে যদি এই খবৰ সঠিক তেন্তে খোদাৰ শপত ! আমি এই ঠাই তেতিয়ালৈকে ত্যাগ নকৰিম যেতিয়ালৈকে উছমানৰ পৰিশোধ নলওঁ। তাৰ পিছত তেখেত (ছাঃ)য়ে চাহাবা সকলক কলে যে আহা আৰু মোৰ হাতত হাত ৰাখি ইছলামৰ বয়াত কৰাৰ যি পদ্ধতি সেই অনুসৰি প্ৰতিজ্ঞা কৰা যে তোমালোকৰ মাজৰ পৰা কোনেও পিছহুহুঁকি নাযাব আৰু নিজৰ প্ৰাণ বিসৰ্জন দিয়াৰ বাবে প্ৰস্তুত থাকিব, কোনো অৱস্থাতেই নিজৰ ঠাই এৰি নাযাব। যেতিয়া বয়াত হৈ আছিল তেতিয়া তেখেত (ছাঃ)য়ে নিজৰ বাওঁ হাতখন নিজৰ সোঁ হাতত ৰাখি কলে যে এইটো উছমানৰ হাত হয়, যদি তেওঁ ইয়াত থাকিলেহেঁতেন তেন্তে এই পৱিত্ৰ বয়াতৰ পৰা পিছুৱাই নগ'লহেঁতেন। ইছলামী ইতিহাসত এই বয়াতক বয়াতে ৰিজুৱান নামেৰে জনাজাত। অৰ্থাৎ সেই বয়াত য'ত

মুছলমান সকলে খোদাৰ পৰা সম্পূৰ্ণৰূপে সন্তুষ্টিৰ পুৰস্কাৰ লাভ কৰিছিল, কোৰআন কৰিমেও বিশেষকৈ এই বয়াতৰ কথা উল্লেখ কৰিছে। ইয়াত সন্দেহ নাই যে এই বয়াত নিজৰ তথ্যৰ সৈতে মিলি এক মহান বিজয় আছিল। কেৰল এই কাৰণেই নহয় যে সেইজনাই ভৱিষ্যত বিজয়ৰ দুৱাৰ উন্মোচন কৰিছে বৰঞ্চ এই কাৰণেও যে ইয়াৰ পৰা ইছলামৰ প্ৰাণ আৰু আত্মাৰ যি মহম্মদ (ছাঃ)ৰ ধৰ্মৰ কেন্দ্ৰবিন্দু এক সুমহানতাৰে প্ৰকাশ পাইছে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ছুলাহ হুদায়বিয়াৰ আৰু বিস্তাৰিত বিৱৰণ ইনশা আল্লাহ পৰৱৰ্তীত বৰ্ণনা কৰা হ'ব।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে বিশ্বৰ বৰ্তমান পৰিস্থিতিৰ দৃষ্টিকোণত দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰি কয় যে এতিয়া মই এইটো ক'ব বিচাৰো যে যিদৰে সকলোৱে জানে যে ইউৰোপ দেশত যুদ্ধৰ অৱস্থা বৰ দ্ৰুত গতিত আগবাঢ়ি আছে। ইউক্ৰেইন আৰু ৰুছৰ যুদ্ধ বিস্তাৰ লাভ কৰাৰ ভয়াবহতা বাঢ়ি আছে। ইউৰোপৰ আন আন দেশতকও ভাবুকি দিয়া হৈ আছে। বেছিভাগ বিবেকবানে আৰু শান্তিপ্ৰিয় নেতৃবৃন্দ সকলে উদ্বিগ্ন হৈ আছে। দোৱা কৰিব আল্লাহ তা'লাই আহমদী আৰু শান্তিপ্ৰিয় লোক সকলক যুদ্ধৰ বেয়া প্ৰভাৱৰ পৰা যেন সুৰক্ষিত ৰাখে। সিহঁতে যুদ্ধত এনেকুৱা অস্ত্ৰ প্ৰয়োগ নকৰিব যাৰ ফলত পৰৱৰ্তী প্ৰজন্ম প্ৰভাম্বিত হ'ব।

মুছলমান ৰাষ্ট্ৰ সমূহৰ বাবে দোৱা কৰিব আল্লাহ তা'লা সিহঁতক বিবেক-বুদ্ধি দান কৰক আৰু সত্যক চিনি পোৱাৰ সৌভাগ্য দান কৰক। আকৌ কৈছে, এই কথাৰ ফালে মনোযোগ আকৰ্ষণ কৰিব বিচাৰো যে অৱস্থা যিদৰে দ্ৰুত গতিত বেয়া হৈ আছে, এই পৰিস্থিতি সম্পৰ্কে আগতেও লোক সকলক মনোযোগ আকৰ্ষণ কৰা হৈছে যে আকৌ স্মাৰক হিচাপে ঘৰত দুই তিনি মাহৰ খাদ্য-সামগ্ৰী ষ্টক ৰখাৰ চেষ্টা কৰিব। আচল কেন্দ্ৰবিন্দু হৈছে আল্লাহৰ সন্তুষ্টি অৰ্জন কৰা। সেইজনাৰ সন্তুষ্টি অৰ্জন কৰাৰ চেষ্টা কৰিব, সেইজনাৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ প্ৰয়াস কৰিব, ইয়াত অগ্ৰগতি লাভ কৰাৰ প্ৰয়াস কৰিব, আল্লাহ তা'লা আমাক ইয়াৰ সৌভাগ্য দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِىَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ـ

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 22 NOV 2024

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................

..............................................................................................................

..............................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB